জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫৯/২০২২**

## কাঁহিকুছিত সম্প্ৰচাৰিত প্ৰধানমন্ত্ৰীৰ ‘মন্ কী বাত্’ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## দেশৰ বিকাশমুখী ধাৰাৰ স্পষ্ট ছবিখন প্ৰধানমন্ত্ৰীৰ ‘মন্ কী বাত্’ অনুষ্ঠানৰ জৰিয়তে প্ৰতিফলিত হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ ৰাণী মণ্ডলৰ অন্তৰ্গত ২২ নং বুথৰ দ্বাৰা কাঁহিকুছি গাঁও পঞ্চায়তৰ যোগীপাৰা সামূহিক ভৱনত আজি আয়োজিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ‘মন্ কী বাত্’ সম্প্ৰচাৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ নিৰন্তৰ প্ৰগতিৰ লগতে বিভিন্ন প্ৰান্তত অব্যাহত থকা বিকাশমুখী ধাৰাৰ স্পষ্ট ছবিখন প্ৰধানমন্ত্ৰীৰ এই ‘মন্ কী বাত্’ অনুষ্ঠানৰ জৰিয়তে প্ৰতিফলিত হৈছে। বিবিধতাৰে ভৰা আমাৰ দেশৰ বিভিন্ন ক্ষেত্ৰত ৰূপায়ণ হৈ থকা ইতিবাচক চিন্তা আৰু নতুন নতুন আদৰ্শৰে আদৰ্শান্বিত হৈ আৰ্থ-সামাজিক তথা সাংস্কৃতিক বৈভৱ নিৰ্মাণৰ লক্ষ্যৰে সকলোকে প্ৰতি মাহৰ শেষৰটো দেওবাৰে সম্প্ৰচাৰিত প্ৰধানমন্ত্ৰী এই ব্যতিক্ৰমী অনুষ্ঠানটি শুনিবলৈ তেওঁ আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজমীৰৰ এজন যুৱকে টেইলৰিঙৰ কাম কৰি অন্ লাইনৰ জৰিয়তে কেনেদৰে এক বৃহৎ ব্যৱসায় আৰম্ভ কৰিছে তথা ‘অমৃত সৰোবৰ’ৰ জৰিয়তে দেশত উদ্যেমী যুৱকসকল উপকৃত হোৱাৰ লগতে আৰ্থ-সামাজিক বিকাশত কেনেদৰে ৰূপৰেখা অংকন কৰিবলৈ সক্ষম হৈছে সেই কথা দেশৰ বিভিন্ন প্ৰান্তলৈ প্ৰধানমন্ত্ৰী মোদীৰ ‘মন্ কী বাত্’ অনুষ্ঠানৰ জৰিয়তে বিয়পি পৰিছে। বঙাইগাঁৱত ‘সম্পূৰ্ণা’ আঁচনিৰ জৰিয়তে পোষণৰ অভাৱ থকা শিশুক সুস্থ কৰি তোলাৰ বাবে লোৱা ব্যৱস্থাৱলীৰ লগতে স্বাধীনতাৰ ‘অমৃত মহোৎসৱ’ উপলক্ষে ‘হৰ ঘৰ ত্ৰিৰংগা’ সম্পৰ্কত ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ আজিৰ এই অনুষ্ঠানত ব্যক্ত কৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত আজি জিলা পৰিষদৰ সদস্যা শিখা চৌধুৰী, ভাৰতীয় জনতা পাৰ্টিৰ ৰাণী মণ্ডলৰ সভাপতি হৰকান্ত নাথ, ২২ নং বুথ সমিতিৰ সভাপতি বিপুল দাস, জিলা সভাপতি তপন চন্দ্ৰ দাস, যোগীপাৰা নামঘৰ সমিতিৰ সভাপতি কামিনী নাথ, যোগীপাৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সভাপতি উপেন নাথ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি, আই-মাতৃ আৰু যুৱক-যুৱতীসকল উপস্থিত থাকে।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ১৮৭০ চনতে প্ৰতিষ্ঠা হোৱা ৰাণীৰ যোগীপাৰা গাঁৱৰ শ্ৰীশ্ৰী চতুৰ্ভূজ কীৰ্ত্তন ঘৰত উপস্থিত হৈ ৰাইজৰ কুশল-মংগল কামনা কৰি ভগৱানৰ শ্ৰীচৰণত সেৱা আগবঢ়ায়।

হেঃশঃ
**২৮/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in